रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 1] NEW DELHI, MONDAY, APRIL 30, 2012/17 BAISAKHA, 1934 (Saka) [Vol : 6**
নং ১ ] নতুন দিল্লী, সোমবাৰ, এপ্ৰিল ৩০, ২০১২ / ১৭ বহাগ, ১৯৩৪ (শক) [খণ্ড ঃ ৬

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি আৰু ন্যায় মন্ত্ৰালয়

## (বিধান বিভাগ)

নতুন দিল্লী, ১৯ ডিচেম্বৰ, ২০১১/২৮ আঘোণ ১৯৩৩ (শক)

১। দি ৰাইট টু ইনফ্যাৰমেইশ্যান এক্ট, ২০০৫ (২০০৫ৰ ২৫)

২। দি প্ৰ্যাটেকশ্যান অফ্ হিউমেন ৰাইটচ্ এক্ট, ১৯৯৩ (১৯৯৪ৰ ১০)

৩। দি লিগেল চাৰ্ভিচেচ্ অ'থ' ৰিটিচ্ এক্ট, ১৯৮৭ (১৯৮৭ৰ ৩৯)

৪। ন'টেৰীচ্ এক্ট, ১৯৫২ (১৯৫২ৰ ৫৩)

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্দ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ) অধিনিয়ম, ১৯৭৩ (১৯৭৩ ৰ ৫০) ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব।

**MINISTRY OF LAW AND JUSTICE**
**(Legislative Department)**

New Delhi, Dated the 19th December, 2011/28 Agrahayan, 1933 (SAKA)

The Translation in Assamese of the following namely :-

1. The Right To Inforamtion Act, 2005 (22 of 2005),
2. The Protection Of Human Rights Act, 1993 (10 of 1994),
3. The Legal Services Authorities Act, 1987 (39 of 1987),
4. The Notaries Act, 1952 (53 of 1952),

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (50 of 1973).

# ন'টেৰী অধিনিয়ম, ১৯৫২

## (১৯৫২ৰ অধিনিয়ম সংখ্যা ৫৩)

## ন'টেৰী সমূহৰ বৃত্তি বিনিয়মিত কৰিবলৈ এখনি অধিনিয়ম

[১১ আগষ্ট, ১৯৫২]

ইয়াক সংসদৰ দ্বাৰা নিম্নলিখিত দৰে অধিনিয়মিত কৰা হওঁক ঃ-

১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ - এই অধিনিয়মখন ন'টেৰী অধিনিয়ম, ১৯৫২ বুলি অভিহিত ।

(২) ই [১] সমগ্ৰ ভাৰতবৰ্ষতে বিস্তৃত হৈছে [২][ X X X] ।

(৩) ই এনে তাৰিখত বলবৎ হ'ব যিদৰে[৩] কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে ।

২। পৰিভাষা - এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে, -

(ক) [৪][ X X X]

(খ) "লেখ্য" ই প্ৰত্যেক দস্তাবেজ অন্তৰ্ভুক্ত কৰে যাৰ দ্বাৰা কোনো অধিকাৰ বা দায়িত্ব সৃষ্ট, অন্তৰিত, ৰূপান্তৰিত, সীমিত, বিস্তৃত, নিলম্বিত, নিৰ্বাপিত বা অভিলেখিত কৰা হয় বা হ'বলৈ তাৎপৰ্যিত হয় ;

১৯৬১ ৰ ২৫ (গ) [৫]["বিধিক ব্যৱসায়ী" মানে অধিবক্তা অধিনিয়ম, ১৯৬১ৰ উপবন্ধৰ অধীনত কোনো নাম তালিকাত প্ৰবিষ্ট এজন অধিবক্তা ;]

(ঘ) "ন'টেৰী" মানে এই অধিনিয়মৰ অধীনত এনেদৰে নিযুক্ত কোনো ব্যক্তি ঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা দুবছৰ কালৰ বাবে, ই কোনো ব্যক্তিকো অন্তৰ্ভুক্ত কৰিব যিজন এনে প্ৰাৰম্ভণৰ পূৰ্বে পৰক্ৰাম্য লেখ্য অধিনিয়ম, ১৮৮১ ৰ [৬][অধীনত] ন'টেৰী পাব্লিক নিযুক্ত হৈছিল (১৮৮১ ৰ - ২৬), [৭][ X X X ]আৰু এনে প্ৰাৰম্ভণৰ ঠিক পূৰ্বে [৮] [ভাৰতবৰ্ষৰ কোনো অংশত ব্যৱসায় কৰিছিল ঃ

উপৰন্তু জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ সম্বন্ধত দুই বছৰৰ উক্ত কালছোৱা সেই তাৰিখৰ পৰা গণনা কৰা হব যিটো তাৰিখত এই অধিনিয়মখন সেই ৰাজ্যত বলৱৎ হয় ।]

(ঙ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰা নিয়মৰ দ্বাৰা বিহিত ;

(চ) "পঞ্জী" মানে ধাৰা ৪ অধীনত চৰকাৰৰ দ্বাৰা পৰিচালনা কৰা ন'টেৰীসমূহৰ পঞ্জী ;

[৯][ (ছ) সংঘ ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত "ৰাজ্য চৰকাৰ" মানে তাৰ প্ৰশাসক । ]

---

১। এই অধিনিয়মখন ১৯৬৮ চনৰ ২৫ নং অধিনিয়মৰ দ্বাৰা জম্মু আৰু কাশ্মীৰ ৰাজ্যলৈ বিস্তাৰিত হৈছে । (১৯৬৮ ৰ ১৫ আগষ্টৰ পৰা প্ৰভাৱী হোৱাকৈ) । ই (I) ১৯৬৮ ৰ ২৬ নং অধিনিয়মৰ দ্বাৰা পণ্ডিচেৰী, (II) ১৯৬২ ৰ ১২ নং বিনিয়মনৰ দ্বাৰা ডমন আৰু দিউ আৰু (III) ১৯৬৩ ৰ ৬ নং বিনিয়মনৰ দ্বাৰা দাদৰা আৰু নগৰ হাভেলী সংঘ ৰাজ্যক্ষেত্ৰলৈও বিস্তাৰিত হৈছে । এই অধিনিয়মখন চিকিম ৰাজ্যত বলৱৎ হৈছে (১৯৭৫ চনৰ ১৬ মে' তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ) এচ্ ও ৰ ২০৮ (ঙ) ১৯৭৫ দ্ৰষ্টব্য ।

২। "জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ ব্যতিৰেকে" শব্দ সমূহ ১৯৬৮ ৰ অধিনিয়ম নং ২৫ ৰ দ্বাৰা লোপ কৰা হৈছে । (১৯৬৮ ৰ ১৫ আগষ্টৰ পৰা প্ৰভাৱী হোৱাকৈ)

৩। ১৯৫৬ ৰ ১৪ ফেব্ৰুৱাৰীৰ পৰা প্ৰভাৱী হোৱাকৈ বলবৎ হৈছে ।

৪। ১৯৬৮ ৰ অধিনিয়ম ২৫ ৰ দ্বাৰা লোপ কৰা হৈছে । (১৯৬৮ ৰ ১৫ আগষ্টৰ পৰা প্ৰভাৱী হোৱাকৈ)

৫। ন'টেৰী (সংশোধন) অধিনিয়ম, ১৯৯৯ৰ ধাৰা ২ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

৬। "হয় অধীনত" শব্দ সমূহৰ বাবে ১৯৬৮ চনৰ ২৫ নং অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত (১৯৬৮ ৰ ১৫ আগষ্টৰ পৰা প্ৰভাৱী হোৱাকৈ ) ।

৭। "বা ইংলেণ্ডত সক্ষমতাৰ অধিকাৰীৰ দ্বাৰা" শব্দ সমূহ উক্ত অধিনিয়মৰ দ্বাৰা লোপ কৰা হৈছে (১৯৬৮, ১৫ আগষ্টৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৮। "ভাৰতবৰ্ষৰ কোনো অংশ" শব্দ সমূহৰ বাবে, উক্ত অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

৯। ১৯৫৬ ৰ এ. এল. ও ৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত (১৯৫৬, ১ নৱেম্বৰ পৰা প্ৰভাৱী হোৱাকৈ) ।

# ন'টেৰী অধিনিয়ম, ১৯৫২

৩। ন'টেৰীসমূহ নিযুক্তি দিবলৈ ক্ষমতা - কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ ভাৰতত বা কোনো অংশত আৰু ৰাজ্য চৰকাৰে, সমগ্ৰ ৰাজ্যত বা কোনো অংশত ন'টেৰী আৰু বিধিক ব্যৱসায়ী বা অন্য ব্যক্তি ৰূপে নিযুক্তি দিব পাৰে যি সকলৰ বিহিত কৰা দৰে এনে অৰ্হতা আছে।

৪। পঞ্জী - (১) কেন্দ্ৰীয় চৰকাৰে আৰু প্ৰত্যেক ৰাজ্য চৰকাৰে বিহিত কৰা দৰে এনে প্ৰপত্ৰত চৰকাৰৰ দ্বাৰা নিযুক্তি দিয়া আৰু এই অধিনিয়মৰ অধীনত এনেদৰে ব্যৱসায় কৰিবলৈ হকদাৰ হোৱা ন'টেৰীসমূহৰ পঞ্জী সংৰক্ষণ কৰিব।

(২) প্ৰত্যেক এনে পঞ্জীত ন'টেৰীৰ বিষয়ে নিম্ন লিখিত সবিশেষসমূহ অন্তৰ্ভুক্ত থাকিব যাৰ নাম তাত প্ৰবিষ্ট কৰা হৈছে, অৰ্থাৎ -

(ক) তেওঁৰ সম্পূৰ্ণ নাম, জন্ম তাৰিখ, আবাসিক আৰু বৃত্তি বিষয়ক ঠিকনা ;

(খ) যিটো তাৰিখত তেওঁৰ নাম পঞ্জীত প্ৰবিষ্ট কৰা হৈছে ;

(গ) তেওঁৰ অৰ্হতা ; আৰু

(ঘ) কোনো অন্য বিৱৰণ যিবোৰ বিহিত কৰিব পাৰি।

৫। পঞ্জীত নামৰ প্ৰবিষ্টি আৰু ব্যৱসায়ৰ প্ৰমাণ পত্ৰৰ জাৰীকৰণ বা নবীকৰণ - (১) প্ৰত্যেক ন'টেৰীয়ে যি এনেদৰে ব্যৱসায় কৰিবলৈ অভিপ্ৰায় কৰে তেওঁক নিয়োগ কৰা চৰকাৰক বিহিত মাচুল আদায় দিয়াত যদি কিবা থাকে, -

(ক) ধাৰা ৪ ৰ অধীনত সেই চৰকাৰৰ দ্বাৰা সংৰক্ষিত পঞ্জীত তেওঁৰ নাম প্ৰবিষ্ট কৰিবলৈ ; আৰু

(খ) তেওঁলৈ জাৰী কৰা প্ৰমাণ পত্ৰৰ তাৰিখৰ পৰা [১][পাঁচ বছৰ] কালৰ বাবে ব্যৱসায় কৰিবলৈ তেওঁক প্ৰাধিকৃত কৰি প্ৰমাণ পত্ৰ দিবলৈ, হকদাৰ হব [১][পাৰে]।

[১][(২) ন'টেৰী নিযুক্তি দিয়া চৰকাৰে আবেদন আৰু বিহিত মাচুল প্ৰাপ্তিত পাঁচ বছৰ কালৰ বাবে এবাৰকৈ ন'টেৰীৰ ব্যৱসায়ৰ প্ৰমাণ পত্ৰ নবীকৰণ কৰিব পাৰে।]

৬। ন'টেৰীসমূহৰ তালিকাৰ বাৰ্ষিক প্ৰকাশন - কেন্দ্ৰীয় চৰকাৰে আৰু প্ৰত্যেক ৰাজ্য চৰকাৰে প্ৰতি বছৰৰ জানুৱাৰী মাহৰ ভিতৰত, চৰকাৰৰ দ্বাৰা নিযুক্ত ন'টেৰী সমূহৰ এখন তালিকা আৰু সেই বছৰৰ আৰম্ভণিত ব্যৱসায়ত এনে সবিশেষ সহ একেলগে বিহিত কৰা দৰে ৰাজপত্ৰত প্ৰকাশ কৰিব।

৭। ন'টেৰীসমূহৰ মোহৰ - প্ৰত্যেক ন'টেৰীৰ সুবিধা বুজি বিহিত কৰা দৰে এনে আকাৰ আৰু নক্সাত এটা মোহৰ থাকিব আৰু ব্যৱহাৰ কৰিব।

৮। ন'টেৰীসমূহৰ কৃত্যসমূহ - (১) কোনো ন'টেৰীয়ে তেওঁৰ পদৰ বলত নিম্ন লিখিত সকলো বা কোনো কাৰ্য্য কৰিব পাৰে, অৰ্থাৎ :-

(ক) কোনো লেখ্যৰ নিষ্পাদনৰ সত্য নিৰূপণ, অধিপ্ৰমাণীকৰণ, প্ৰমাণকৰণ, বা প্ৰত্যায়িত কৰিব পাৰে ;

(খ) গ্ৰহণ বা আদায়ৰ বাবে কোনো বচন পত্ৰ, হুণ্ডী বা বিনিময় পত্ৰ উপস্থাপন কৰিব পাৰে বা উন্নত প্ৰতিভূতিৰ বাবে দাবী কৰিব পাৰে ;

(গ) পৰক্ৰাম্য লেখ্য অধিনিয়ম (১৮৮১ ৰ ২৬ নং) ৰ অধীনত কোনো বচন পত্ৰ, হুণ্ডী বা বিনিময় পত্ৰ অগ্ৰহণ বা অনাদায়ৰ দ্বাৰা অগ্ৰাহ্য কৰা টোকা বা [২][প্ৰতিবাদ] বা উন্নত প্ৰতিভূতিৰ বাবে প্ৰতিবাদ কৰা বা সম্মানীয় কাম প্ৰস্তুত কৰা বা এনে টোকা বা প্ৰতিবাদৰ জাননী জাৰি কৰা ;

(ঘ) জাহাজৰ প্ৰতিবাদ, নাৱৰ প্ৰতিবাদ বা বিলম্ব শুল্ক আৰু অন্য বাণিজ্যিক বিষয় সম্বন্ধত প্ৰতিবাদ লিপিবদ্ধ কৰা আৰু স্থগিত কৰা ;

(ঙ) কোনো ব্যক্তিক শপথ দিয়া বা কোনো শপথ পত্ৰ লোৱা ;

(চ) জাহাজ, বন্ধকী দলিল আৰু প্ৰত্যুত্তৰ খতপত্ৰ, চনদ পক্ষসমূহ আৰু অন্য বাণিজ্যিক সম্বন্ধীয় দস্তাবেজবোৰ প্ৰস্তুত কৰা ;

(ছ) ভাৰতবৰ্ষৰ বাহিৰৰ কোনো স্থানলৈ কোনো দেশত প্ৰভাৱিত কৰিবলৈ অভিপ্ৰেত কোনো লেখ্য এনে প্ৰপত্ৰত আৰু ভাষাত প্ৰস্তুত কৰা, প্ৰত্যায়িত কৰা বা অধিপ্ৰমাণিত কৰা যিদৰে বিধি স্থান ঠিক কৰা হয় য'ত এনে দলিল প্ৰৱৰ্ত্তন কৰিবলৈ হকদাৰ হয় ;

(জ) কোনো দস্তাবেজৰ এটা ভাষাৰ পৰা আন এটা ভাষালৈ ভাষান্তৰ কৰণক অনুবাদ আৰু সত্যাৰ্পন কৰা ;

---

১। ন'টেৰী (সংশোধন) অধিনিয়ম ১৯৯৯ ৰ ধাৰা ৩ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। "প্ৰতিবাদ" শব্দৰ অৰ্থৰ বাবে ১৯৮১ চনৰ অধিনিয়ম ২৬ ৰ ধাৰা ১০০ দ্ৰষ্টব্য।

## ন'টেৰী অধিনিয়ম, ১৯৫২

[১][(জক) কোনো চিভিল বা দাণ্ডিক বিচাৰত সাক্ষ্য অভিলেখিত কৰিবলৈ এজন আয়ুক্ত ৰূপে কাৰ্য্য কৰিব যদিহে কোনো ন্যায়ালয় বা প্ৰাধিকাৰৰ দ্বাৰা এনেদৰে নিৰ্দেশিত কৰা হয়;

(জখ) এজন মধ্যস্থ, মধ্যজন বা সন্ধিসূচক ৰূপে কাৰ্য্য কৰিব, যদিহে এনেদৰে অপেক্ষিত কৰা হয় ।]

(ঝ) বিহিত কৰা কোনো আন কাৰ্য্য ।

(২) উপ-ধাৰা (১) ত বিনিৰ্দিষ্ট কৰা কোনো কাৰ্য্য যেতিয়া এইটো এজন ন'টেৰীৰ দ্বাৰা তেওঁৰ স্বাক্ষৰত আৰু চৰকাৰী মোহৰৰ অধীনত কৰা ব্যতিৰেকে ন'টেৰীয় কাৰ্য্য বুলি গণ্য কৰা নহব ।

৯। প্ৰমাণ পত্ৰ নোহোৱাকৈ ব্যৱসায়ৰ বাৰণ - এই ধাৰাৰ উপবন্ধৰ সাপেক্ষে, কোনো ব্যক্তিয়ে ন'টেৰী ৰূপে ব্যৱসায় নকৰিব বা কোনো ন'টেৰীৰ চৰকাৰী মোহৰৰ অধীনত কোনো ন'টেৰীয় কাৰ্য্য নকৰিব যদিহে তেওঁ ধাৰা ৫ ৰ অধীনত তেওঁলৈ প্ৰেৰণ কৰা বলবৎ ব্যৱসায়ৰ প্ৰমাণ পত্ৰ ধাৰণ কৰা নাই :

পৰন্তু এই উপ-ধাৰাৰ কোনো কথাই এনে ন'টেৰীৰ হকে কোনো ন'টেৰী কেৰাণীৰ দ্বাৰা কোনো গ্ৰহণ বা আদায়ৰ বাবে কোনো বচন পত্ৰ, হুণ্ডী বা বিনিময় পত্ৰ নিবেদন কৰিবলৈ প্ৰয়োগ নহব ।

(২) উপ-ধাৰা (১)ৰ কোনো কথাই এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা দুবছৰৰ অৱসান নোহোৱালৈকে ধাৰা ২ ৰ খণ্ড (ঘ) ৰ পৰন্তুকত উল্লিখিত দৰে এনে ব্যক্তিৰ ওপৰত প্ৰয়োগ নহব ঃ

[২][পৰন্তু জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ সম্বন্ধত দুই বছৰলৈ উক্ত কালছোৱা সেই তাৰিখৰ পৰা গণনা কৰা হব যি তাৰিখত সেই ৰাজ্যত এই অধিনিয়মখন বলবৎ হয় ।]

১০। পঞ্জীৰ পৰা নাম প্ৰত্যাহাৰ - চৰকাৰে নিযুক্তি দিয়া কোনো ন'টেৰীক ধাৰা ৪ ৰ অধীনত আদেশ দি ইয়াৰ দ্বাৰা সংৰক্ষিত পঞ্জীৰ পৰা ন'টেৰীৰ নাম প্ৰত্যাহাৰ কৰিব পাৰে, যদি তেওঁ –

(ক) তেনে প্ৰভাৱলৈ কোনো অনুৰোধ কৰে ; বা

(খ) অপেক্ষিত কোনো বিহিত মাচুল তেওঁৰ দ্বাৰা আদায় দিয়া হোৱা নাই ; বা

(গ) অনুমুক্ত দেউলীয়া হয় ; বা

(ঘ) বিহিত ৰীতিত তদন্ত কৰি এনে ব্যৱসায়ীক বা অন্য কু - আচৰণৰ দোষী বুলি পোৱা গৈছে, চৰকাৰৰ মতত ন'টেৰী ৰূপে ব্যৱসায় কৰিবলৈ তেওঁক অনুপযুক্ত বুলি ধৰা হয় ; [৩][বা]

[৩][(ঙ) নৈতিক স্খলনৰ নিচিনা কোনো অপৰাধৰ বাবে ন্যায়ালয়ৰ দ্বাৰা দোষী সাব্যস্ত কৰা হয় ; বা

(চ) তেওঁৰ ব্যৱসায়ৰ প্ৰমাণ পত্ৰ নবীকৰণ কৰা হোৱা নাই ।]

১১। অন্য বিধিত ন'টেৰী পাব্লিকসকললৈ প্ৰসঙ্গ নিৰ্দেশৰ গঠন - কোনো অন্য বিধিত কোনো ন'টেৰী পাব্লিকলৈ দিয়া কোনো প্ৰসঙ্গ নিৰ্দেশ এই অধিনিয়মৰ অধীনত ব্যৱসায় কৰিবলৈ হকদাৰ কোনো ন'টেৰী লৈ কোনো প্ৰসঙ্গ নিৰ্দেশ বুলি অৰ্থ হব ।

১২। কোনো ন'টেৰী ইত্যাদি বুলি মিছাকৈ প্ৰতিনিধিত্ব কৰা বাবে দণ্ড - কোনো ব্যক্তি যিজনে -

(ক) মিছাকৈ প্ৰতিনিধিত্ব কৰে যে তেওঁ এনেদৰে নিযুক্তি নোহোৱাকৈ কোনো ন'টেৰী হয়, বা

(খ) ধাৰা ৯ ৰ উলংঘনত কোনো ন'টেৰী ৰূপে ব্যৱসায় কৰে বা কোনো ন'টেৰী কাৰ্য্য কৰে, তেওঁ [৪][এক বছৰলৈ] বিস্তাৰ হব পৰা কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডনীয় হব ।

১৩। অপৰাধৰ সংজ্ঞান - (১) কোনো ন্যায়ালয়ে এই মৰ্মে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ দ্বাৰা কোনো প্ৰাধিকৃত পদাধিকাৰীৰ দ্বাৰা লিখিত অভিযোগৰ ব্যতিৰেকে এই অধিনিয়মৰ অধীনত তেওঁৰ কৃত্যবোৰৰ প্ৰয়োগত বা প্ৰয়োগ কৰা অৰ্থত কোনো ন'টেৰীৰ দ্বাৰা সংঘটিত কৰা কোনো অপৰাধৰ সংজ্ঞান নলব ।

(২) প্ৰেচিডেন্সী দণ্ডাধীশ বা প্ৰথম শ্ৰেণীৰ দণ্ডাধীশৰ অন্যথা কোনো দণ্ডাধীশে এই অধিনিয়মৰ অধীনত কোনো দণ্ডনীয় অপৰাধ বিচাৰ নকৰিব ।

১৪। বিদেশী ন'টেৰীসমূহৰ দ্বাৰা কৰা ন'টেৰী কাৰ্য্যৰ স্বীকৃতিৰ বাবে পাৰস্পৰিক বিন্যাস - যদি কেন্দ্ৰীয় চৰকাৰ সন্তুষ্ট হয় যে ভাৰতৰ বাহিৰৰ কোনো দেশ বা স্থানৰ বিধি বা ব্যৱসায়ৰ দ্বাৰা ভাৰতবৰ্ষৰ ভিতৰত ন'টেৰীসমূহৰ দ্বাৰা কৰা ন'টেৰী কাৰ্য্যসমূহ সেই

---

১। ন'টেৰী (সংশোধন) অধিনিয়ম, ১৯৯৯ চনৰ ধাৰা ৪ ৰ দ্বাৰা অন্তঃস্থাপিত ।

২। ১৯৬৮ ৰ অধিনিয়ম ২৫ দ্বাৰা অন্তঃস্থাপিত (১৯৬৮, ১৫ আগষ্টৰ পৰা প্ৰভাৱী হোৱাকৈ) ।

৩। ন'টেৰী (সংশোধন) অধিনিয়ম, ১৯৯৯ ৰ ধাৰা ৫ ৰ দ্বাৰা অন্তঃস্থাপিত ।

৪। ন'টেৰী (সংশোধন) অধিনিয়ম, ১৯৯৯ ৰ ধাৰা ৬ ৰ দ্বাৰা প্ৰতিস্থাপিত ।

দেশত বা স্থানত সকলো বা কোনো সীমিত উদ্দেশ্যৰ বাবে স্বীকৃতি দিয়া হৈছে, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ঘোষণা কৰিব যে এনে দেশ বা স্থানৰ ভিতৰত ন'টেৰীৰ দ্বাৰা কৰা বিধিপূৰ্ণ ন'টেৰী কাৰ্য্যসমূহ সকলোৰ বাবে বা যথাস্থিতি, অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সীমিত উদ্দেশ্যৰ বাবে ভাৰতবৰ্ষত স্বীকৃতি দিব ।

১৫। নিয়ম প্ৰণয়ন কৰিবলৈ ক্ষমতা - (১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উদ্দেশ্যসমূহ সম্পন্ন কৰিবলৈ নিয়ম প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মসমূহে নিম্ন লিখিত বিষয় সমূহৰ সকলো বা কোনোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ, -

(ক) কোনো ন'টেৰী অৰ্হতা, প্ৰ-পত্ৰ আৰু ৰীতি যিবোৰত কোনো ন'টেৰী ৰূপে নিযুক্তিৰ বাবে আবেদন কৰিব পাৰে আৰু এনে আবেদনৰ নিষ্পত্তি ;

(খ) কোনো ন'টেৰী ৰূপে নিয়োগৰ বাবে আবেদন কৰা কোনো ব্যক্তিৰ চৰিত্ৰ, সত্যনিষ্ঠা, সামৰ্থ্যতা আৰু পাৰদৰ্শিতাৰ বিষয়ে প্ৰমাণ পত্ৰ, সাক্ষ্যপত্ৰ বা প্ৰমাণ পৰিদান কৰিবলৈ অপেক্ষিত হয় ;

[1][(গ) এজন ন'টেৰী ৰূপে নিযুক্তিৰ বাবে আৰু ব্যৱসায়, ব্যৱসায়ৰ এলেকা বা ব্যৱসায় এলেকা পৰিবৰ্দ্ধনৰ প্ৰমাণ পত্ৰ প্ৰেৰণ আৰু নবীকৰণৰ বাবে দেয় মাচুলবোৰ আৰু বিনিৰ্দিষ্ট শ্ৰেণীৰ গোচৰবোৰত এনে মাচুলৰ পৰা সমগ্ৰ বা আংশিক ৰেহাই ;]

(ঘ) কোনো ন'টেৰী কাৰ্য্য কৰাৰ বাবে কোনো ন'টেৰীলৈ দেয় মাচুল ;

(ঙ) পঞ্জীৰ প্ৰ-পত্ৰ আৰু তাত প্ৰবিষ্ট হ'ব লগা সবিশেষ সমূহ ;

(চ) কোনো ন'টেৰীৰ মোহৰৰ আকাৰ আৰু নক্সা ;

(ছ) ৰীতি, যি ৰীতিত ন'টেৰীসকলৰ ব্যৱসায়ীক অভিযোগ আৰু অন্য কু-আচৰণৰ তদন্ত কৰা হৈছে ;

(জ) কোনো ন'টেৰীয়ে ধাৰা ৮ ত বিনিৰ্দ্দিষ্ট, কাৰ্যৰ অতিৰিক্ত কাৰ্য্য কৰিব পাৰে আৰু ৰীতি, যি ৰীতিত কোনো ন'টেৰীয়ে তেওঁৰ কৃত্যসমূহ সম্পান্ন কৰিব পাৰে ;

(ঝ) কোনো অন্য বিষয় যিটো বিহিত কৰা হৈছে বা বিহিত কৰিব পাৰে ।

[2][(৩) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা প্ৰত্যেক নিয়ম প্ৰণয়ন কৰাৰ পিচত লগে লগেই সংসদৰ আগত, উত্থাপন কৰা হ'ব যেতিয়া মুঠ ত্ৰিশ দিন কালৰ বাবে অধিবেশন চলি থাকে, যিটো এখন বা দুখন বা ততোধিক পৰৱৰ্ত্তী অধিবেশনত ভুক্ত কৰা হয়, আৰু পৰৱৰ্ত্তী বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সম্মত হয় বা উভয় সদনে সম্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নেলাগে, তাৰ পিচত নিয়মৰ এনে সালসলনিৰ ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি, প্ৰভাৱহীন হ'ব ; সেয়ে হলেও এনে সালসলনি বা ৰদকৰণে সেই নিয়মৰ অধীনত পূৰ্বতে কৰা কোনো কাৰ্য্যৰ বৈধতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব ।]

১৬। ১৮৮১ ৰ অধিনিয়ম XXVI ৰ সংশোধন - [১৯৫৭ ৰ অধিনিয়ম ৩৬ ৰ দ্বাৰা নিৰসিত]

---

১। ন'টেৰী (সংশোধন) অধিনিয়ম, ১৯৯৯ ধাৰা ৭ ৰ দ্বাৰা প্ৰতিস্থাপিত ।

২। ১৯৮৩ ৰ ২০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (১৯৮৪ ৰ ১৫ মাৰ্চৰ পৰা প্ৰভাৱী হোৱাকৈ) ।

সচিব,
ভাৰত চৰকাৰ
Secretary to the Government of India

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১

৩০-৪-২০১২